# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে উজ্বল দেওৰাও নিকাম, চি সদানন্দন মাষ্টাৰ, হৰ্ষবৰ্ধন শৃংলা আৰু ড° মিনাক্ষী জৈনক ৰাজ্যসভালৈ মনোনীত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাজ্যসভালৈ মনোনীত চাৰিওগৰাকী বিশিষ্ট ব্যক্তিক অভিনন্দন জ্ঞাপন কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ছিংগাপুৰৰ বিদেশ মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰে।

৪। উইম্বলডন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ জেনিক ছিনৰ, দ্বিতীয় বাছনিপ্ৰাপ্ত স্পেইনৰ কাৰ্লোছ অল্কাৰাজৰ সন্মুখীন হ'ব। *আৰু*

৫। লৰ্ডছ টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা  ইংলেণ্ডে এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে বিশিষ্ট অধিবক্তা উজ্বল দেওৰাও নিকাম, সমাজসেৱী চি সদানন্দন মাষ্টাৰ, প্ৰাক্তন বিদেশ সচিব হৰ্ষবৰ্ধন শৃংলা আৰু ইতিহাসবিদ তথা শিক্ষাবিদ ড° মিনাক্ষী জৈনক ৰাজ্যসভালৈ মনোনীত কৰিছে। গৃহ মন্ত্ৰালয়ে এখন জাননীযোগে এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰৰ বাসিন্দা শ্ৰীনিকামে মুম্বাইত সন্ত্ৰাসবাদী আক্ৰমণৰ গোচৰত এগৰাকী চৰকাৰী উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। শিক্ষা ক্ষেত্ৰত সুদীৰ্ঘ দিনৰ অভিজ্ঞতাপুষ্ট কেৰালাৰ চি সদানন্দন মাষ্টাৰে ৰাজনৈতিক হিংসাৰ বলি হৈ দুয়োখন ভৰি হেৰুৱাবলগীয়া হৈছিল। হৰ্ষবৰ্ধন শৃংলাই আমেৰিকা যুক্তৰাষ্ট্ৰ, বাংলাদেশ আৰু থাইলেণ্ডৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ২০২৩ চনত ভাৰতৰ জি টুৱেণ্টিৰ অধ্যক্ষতাৰ সময়ছোৱাত মুখ্য সমন্বয়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড০ মিনাক্ষী জৈনে দিল্লী বিশ্ববিদ্যালয়ৰ অধীনৰ গাৰ্গি কলেজত সহযোগী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিয়ে কলা, সাহিত্য, বিজ্ঞান আৰু সমাজ সেৱাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ১২ গৰাকী ব্যক্তিক উচ্চ সদনলৈ মনোনীত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাজ্যসভালৈ মনোনীত বিশিষ্ট অধিবক্তা উজ্বল দেওৰাও নিকাম, সমাজসেৱী চি সদানন্দন মাষ্টাৰ, প্ৰাক্তন বিদেশ সচিব হৰ্ষবৰ্ধন শৃংলা আৰু ইতিহাসবিদ তথা শিক্ষাবিদ ড° মিনাক্ষী জৈনক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এলানি বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে আইনী আৰু সংবিধান ক্ষেত্ৰত উজ্বল

নিকামৰ নিষ্ঠা আৰু বৰঙণি দৃষ্টান্তমূলক। এগৰাকী সফল অধিবক্তা হোৱাৰ লগতে গুৰুত্বপূৰ্ণ গোচৰত ন্যায় প্ৰদানৰ ক্ষেত্ৰত তেওঁৰ উল্লেখনীয় ভূমিকা আছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। দিঘলীয়া কৰ্মজীৱনত শ্ৰীনিকামে সাংবিধানিক প্ৰমূল্য শক্তিশালী কৰা আৰু সাধাৰণ নাগৰিকৰ মৰ্যাদা ৰক্ষা তথা তেওঁলোকৰ প্ৰতি যথাযোগ্য ব্যৱহাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। শ্ৰীমোদীয়ে কয়, যে হৰ্ষবৰ্ধন শৃংলাই এগৰাকী কূটনীতিবিদ, বুদ্ধিজীৱি আৰু কৌশলী চিন্তাবিদ হিচাপে কৃতিত্ব অৰ্জন কৰি আহিছে। তেওঁ ভাৰতৰ বৈদেশিক নীতিৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ লগতে দেশখনৰ জি-টুৱেণ্টি অধ্যক্ষতাকালত বিশেষ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। একেদৰে চি. সদানন্দনক অভিনন্দন জ্ঞাপন কৰি দিয়া বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁৰ জীৱন সাহস আৰু অন্যায়ৰ সৈতে আপোচবিহীন শক্তিশালী ব্যক্তিত্বৰ উজ্বল নিদৰ্শন। সমাজসেৱী আৰু শিক্ষক হিচাপে তেওঁৰ অৱদান প্ৰশংসনীয় তথা যুৱ প্ৰজন্মৰ সৱলীকৰণৰ ক্ষেত্ৰত শ্ৰীসদানন্দন অতিশয় আগ্ৰহী বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে ড° মিনাক্ষী জৈনক এগৰাকী উল্লেখনীয় পণ্ডিত, গৱেষক আৰু ইতিহাসবিদ বুলি অভিহিত কৰে। তেওঁ কয়, যে শিক্ষা, সাহিত্য, ইতিহাস আৰু ৰাজনীতি বিজ্ঞানৰ ক্ষেত্ৰত ড০ জৈনৰ কৰ্মৰাজিয়ে বিদ্যায়তনিক ক্ষেত্ৰখন সমৃদ্ধ কৰিছে। ০০০

০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - আই আই টি গুৱাহাটীৰ ২৭ সংখ্যক সমাৱৰ্তন আজি সম্পন্ন হয়। সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমেৰিকাৰ ক্লেনচন বিশ্ববিদ্যালয়ৰ বৈদ্যুতিক আৰু কম্পিউটাৰ অভিযান্ত্ৰিক বিভাগৰ দি হাউচাৰ বেংকছৰ অধ্যাপক ড° ৰাজেন্দ্ৰ সিং আৰু সন্মানীয় অতিথি হিচাপে ইণ্ডিয়ান নেচনেল একাডেমী অৱ ইঞ্জিনিয়াৰিংছৰ অধ্যক্ষ জে দি পাটিল উপস্থিত থাকে। ড০ সিঙে নিজৰ ভাষণত ছাত্ৰ-ছত্ৰীসকলক লক্ষ্য স্থিৰ কৰি আগবাঢ়ি যাবলৈ আহ্বান জনায়। সমাৱৰ্তনৰ আৰম্ভণিতে আই আই টি গুৱাহাটীৰ সঞ্চালক দেবেন্দ্ৰ জালিহালে ২০২৪-২৫ বৰ্ষৰ প্ৰাৰ্থী প্ৰৱতিবেদন দাখিল কৰে। এই সমাৱৰ্তনত মুঠ ২ হেজাৰ ৯৩ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। ১০৫ গৰাকীক স্নাতক, ৮১৮ গৰাকীক স্নাতকোত্তৰ আৰু ২৭০ গৰাকীক পি এইচ ডি ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাৰ বাবে ৰাষ্ট্ৰপতিৰ স্বৰ্ণ পদক, ড° শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক আৰু অসমৰ ৰাজ্যপালৰ স্বৰ্ণ পদককে ধৰি ৪টা স্বৰ্ণ পদক প্ৰদান কৰা হয়।

০০০০

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া দ্ৰুত কৰি তোলা হৈছে। এই প্ৰক্ৰিয়াত বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ কৰা পৰীক্ষণত নেপাল, বাংলাদেশ আৰু ম্যানমাৰৰ ভালেসংখ্যক ভোটাৰ ধৰা পৰিছে। নিৰ্বাচন আয়োগে জনাইছে যে এই লোকসকলে আধাৰ কাৰ্ড আৰু ৰেচনকাৰ্ডকে ধৰি বিভিন্ন ধৰণৰ পৰিচয়পত্ৰ অসৎ উপায়েৰে ক্ৰয় কৰিছে। আয়োগৰ সূত্ৰই জনোৱা অনুসৰি অহা ১ আগষ্টৰ পৰা ৩০ আগষ্টলৈকে হ'বলগীয়া তদন্তৰ পাছত যদি এই ভোটাৰসকলৰ জালিয়াতি সচা বুলি প্ৰমাণিত হয় তেন্তে ৩০ ছেপ্তেম্বৰত প্ৰকাশ হ'বলগীয়া চূড়ান্ত তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰা নহ'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে তিনিদিনীয়া ছিংগাপুৰ আৰু চীন ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত আজি ছিংগাপুৰৰ বিদেশ মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত ড° জয়শংকৰে প্ৰকাশ কৰা

অনুসৰি ছিংগাপুৰ - ভাৰতৰ এক্ট ইষ্ট নীতিৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে আজি লগতে ছিংগাপুৰৰ এটা আগশাৰীৰ বহুজাতিক বিনিয়োগ প্ৰতিষ্ঠানৰ নৱনিযুক্ত অধ্যক্ষ টেও চি হানকো সাক্ষাৎ কৰে। ড° জয়শংকৰে উদ্যোগীগৰাকীৰ সৈতে ভাৰতৰ উদ্যোগ ক্ষেত্ৰৰ ৰূপান্তৰ আৰু দেশখনত বিনিয়োগৰ সা-সুবিধাৰ বিষয়ে আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ছিংগাপুৰৰ বিদেশ মন্ত্ৰী শ্ৰীবালাকৃষ্ণণে কয়, যে সমগ্ৰ বিশ্বই এতিয়া বহুমেৰুত বিভক্ত হৈ অভাৱনীয় ৰূপান্তৰ সাধন হোৱাৰ সময়তে ভাৰতে সুযোগ সন্ধানৰ অন্যতম মেৰু হিচাপে ক্ৰমাৎ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে। চিংগাপুৰত এই ভ্ৰমণৰ পাছত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে চীনৰ তিয়ানচীনত হ'বলগীয়া ছাংহাই সহযোগিতা সংস্থাৰ বিদেশ মন্ত্ৰী পৰিষদৰ বৈঠকত ভাগ ল'ব। বৈঠকত অংশগ্ৰহণ কৰাৰ সুযোগতে তেওঁ কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০

উইম্বলডন প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ফাইনেলত আজি বিশ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ জেনিক ছিনৰ, দ্বিতীয় বাছনিপ্ৰাপ্ত তথা বিগত দুটা বছৰ খিতাপ অৰ্জন কৰা স্পেইনৰ কাৰ্লোছ অল্কাৰাজৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে আঠ বজাত আৰম্ভ হ'ব। প্ৰথমখন ছেমি ফাইনেলত আমেৰিকাৰ টেইলৰ ফ্ৰিটজক পৰাস্ত কৰি অলকাৰাজ ফাইনেললৈ অগ্ৰসৰ হৈছে। একেদৰে দ্বিতীয়খন ছেমিফাইনেলত চিনাৰে চাৰ্বিয়াৰ নোভাক জ'ক'ভিছক পৰাস্ত কৰি ফাইনেলত উপনীত হৈছে। অলকাৰাজে ফাইনেলৰ প্ৰতিদ্বন্দীৰ সৈতে পূৰ্বে খেলা পাছোখন খেলতে জয়ী হোৱাৰ বিপৰীতে চিনাৰে কেৱল ২০২২ চনত উইম্বলডনৰ খেলত অলকাৰাজৰ বিৰুদ্ধে জয়ী হৈছিল।

ইপিনে, ইগা স্বিয়াটেকে আমান্দা অনিছিম'ভাক পৰাস্ত কৰি উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰথমটো খিতাপ অৰ্জন কৰিছে। প'লেণ্ডৰ স্বিয়াটেকে কালি অল ইংলেণ্ড ক্লাবত অনুষ্ঠিত একপক্ষীয় ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ আমান্দাক ৬-০, ৬-০ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইয়াৰ লগে লগে স্বিয়াটেক উইম্বৰলডন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰা প'লেণ্ডৰ মহিলাৰূপে পৰিগণিত হয়।

ইপিনে ব্ৰিটেইনৰ জুলীয়ান কেছ আৰু লয়ড গ্লাছপুলে কালি উইম্বলডনৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰি প্ৰতিযোগিতাৰ ইতিহাসত ১৯৩৬ চনৰ পাছত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমটো ব্ৰিটিছ যুঁটী হিচাপে ইতিহাস ৰচনা কৰে। জুলীয়ান আৰু লয়দৰ যুঁটীটোৱে ফাইনেলত অষ্ট্ৰেলিয়াৰ ৰিংকি হিজিকাটা আৰু নেডাৰলেণ্ডৰ ডেভিদ পেলক ৬-২, ৭-৬ ছেটত পৰাভূত কৰে।

০০০০

লৰ্ডছত অনুষ্ঠিত এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি চতুৰ্থ দিনা ঘৰুৱা দল ইংলেণ্ডে এটাও উইকেট নেহেৰুওৱাকৈ কালি সংগ্ৰহ কৰা দুই ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। ইংলেণ্ডে ১০ টা উইকেট বাকী থকা অৱস্থাত ভাৰতকৈ সামগ্ৰিকভাৱে দুই ৰানত আগবাঢ়ি আছে। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰতেও ইংলেণ্ডৰ প্ৰথম ইনিংছৰ স্কোৰ ৩৮৭ ৰানতে কালি প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে শতক অৰ্জন কৰে। ঋষভ পণ্টে ৭৪ আৰু ৰবীন্দ্ৰ জাদেজাই ৭২ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ ৱ'কছে তিনিটা উইকেট দখল কৰে। জোফ্ৰা আৰ্চাৰ আৰু বেন ষ্ট'কছে দুটাকৈ উইকেট লাভ কৰে। ভাৰতে কালি বিদেশত অনুষ্ঠিত টেষ্ট শৃংখলাত সৰ্বাধিক ছিক্সাৰ কোবোৱাৰ নতুন বিশ্ব অভিলেখো গঢ়ে। ভাৰতে

এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাত বৰ্তমানলৈকে ৩৬ টা ছিক্সাৰ কোবাই ১৯৭৪-৭৫ চনত ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে গঢ়া ৩২ টা ছিক্সাৰৰ অভিলেখ ভংগ কৰে। ভাৰতে পাঁচখন খেলৰ শৃংখলাটোৰ প্ৰথম তিনিখন খেলতে এই কৃতিত্ব আৰ্জন কৰিছে। শৃংখলাটোত সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে।

০০০০

সমাপ্ত